আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, JANUARY 25, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৯ Guwahati, Assam ।। মূল্যঃ এটকা


শীততো মাজুলীত নাৱৰ টিঙত ৰাহুল গান্ধী

# হাড় কঁপোৱা শীততো জেকেট নিপিন্ধাকৈ থকা ৰাহুল গান্ধীয়ে ‘বডী ডাবল’ৰ সহায়ত ঘূৰি ফুৰিব বুলি ভবাটোৱেই হাস্যকৰঃ কংগ্ৰেছ

## বন্ধৰ জাননী

গণৰাজ্য দিৱস উপলক্ষে আমাৰ কাৰ্যালয় ২৬ জানুৱাৰীত বন্ধ থাকিব। সেয়ে ২৬ জানুৱাৰীৰ কাকত প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যা প্ৰকাশ পাব অহা ২৭ জানুৱাৰীত।

# ডুপ্লিকেট ৰাহুল, ডুপ্লিকেট হিমন্ত!

বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত





ৰাহুল গান্ধী


ৰাকেশ কুশ্বৰাহা

# খুলি পৰিল চকা, দুৰ্ঘটনাগ্ৰস্ত ‘ইণ্ডিয়া’ এলায়েন্স !

২০২৪ৰ লোকসভা নিৰ্বাচনলৈ মাজত আৰু কেইটামান দিন বাকী। ৰাম মন্দিৰৰ প্ৰতিষ্ঠাৰ জৰিয়তে হিন্দুত্ববাদ প্ৰসাৰ কৰি নিৰ্বাচনৰ ৰণডংকা বজাইছে বিজেপিয়ে। আনফালে নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন থকা সময়তে থৰক বৰক হৈ পৰিছে বিৰোধী... বাতৰি ২ পৃষ্ঠাত



## আকৌ মোদীৰ শৰণাপন্ন হ’ব মমতা, নীতিশ কুমাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খুলি পৰিল চকা


**ই-সংবাদ বিশেষ, ২৫ জানুৱাৰীঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনলৈ মাজত আৰু কেইটামান দিন বাকী। ৰাম মন্দিৰৰ প্ৰতিষ্ঠাৰ জৰিয়তে হিন্দুত্ববাদ প্ৰসাৰ কৰি নিৰ্বাচনৰ ৰণডংকা বজাইছে বিজেপিয়ে। আনফালে নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন থকা সময়তে থৰক বৰক হৈ পৰিছে বিৰোধী ঐক্য। ইণ্ডিয়া মিত্ৰজোঁটৰ অন্তৰ্গত ইটোৰ পিছত সিটো দলৰ নেতাই গা এৰাৰ দিয়াৰ পিছত এতিয়া বিৰোধীৰ সন্মিলিত ঐক্য চুচূৰ্মৈ হৈ পৰাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। উল্লেখ্য যে, ২০২৪ৰ লোকসভা নিৰ্বাচনক সন্মুখত ৰাখি অপ্ৰতিৰোধ্য বিজেপিক পৰাভূত কৰিবলৈ প্ৰায় দুবছৰ পূৰ্বে একত্ৰিত হৈছিল দেশৰ কেইবাটাও বিৰোধী দল। কংগ্ৰেছ, আৰজেডি, আপ, তৃণমূল কংগ্ৰেছ আদি দেশৰ প্ৰধান ৰাজনৈতিক দল চামিল হোৱা এই বিৰোধী ঐক্যৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছিল ২০২৩ চনৰ ২৩ জুনত বিহাৰৰ পাটনাত। পৰৱৰ্তী সময়ত কৰ্ণাটকৰ বাংগালুৰুত বৈঠকত মিলিত হৈছিল বিজেপি বিৰোধী ৰাজনৈতিক দলৰ নেতাসকল। ইফালে ৩১ আগষ্ট আৰু ১ ছেপ্টেম্বৰত মুম্বাইত অনুষ্ঠিত হোৱা বিৰোধী দলৰ বৈঠকৰ পিছতে এই মিত্ৰজোঁটক ইণ্ডিয়ান নেশ্যনেল ডেভেলপমেণ্টেল ইনক্লুছিভ এলায়েঞ্চ বা চমুকৈ 'ইণ্ডিয়া' নামেৰে নামকৰণ কৰা হৈছিল। সাধাৰণ নিৰ্বাচনত একেলগে যুঁজিবলৈ তিনি দফাৰ প্ৰস্তাৱ গৃহীত কৰিছিল ইণ্ডিয়া মিত্ৰজোঁটে৷ কিন্তু সময় আগবঢ়াৰ লগে লগে কেৰোণ লাগে বিৰোধীৰ এই ঐক্যত। দলৰ মাজত আসনৰ ভাগ-বতৰাক লৈ আৰম্ভ হোৱা বাক-বিবাদে ক্ৰমান্বয়ে খহাবলৈ আৰম্ভ কৰে ইণ্ডিয়া মিত্ৰজোঁটৰ ভেটি। বিশেষকৈ ৰাহুল গান্ধীয়ে ১৪ জানুৱাৰীত মণিপুৰৰ পৰা ভাৰত জোড়ো ন্যায় যাত্ৰা আৰম্ভ কৰাৰ পিছতে বিৰোধী ঐক্য ইণ্ডিয়াত ভাঙোন আৰম্ভ হয়৷ প্ৰথমে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ইণ্ডিয়া মিত্ৰজোঁট এৰি বিজেপিৰ কাষলৈ যোৱাৰ বাতৰি প্ৰচাৰ হয়৷ বিভিন্ন সূত্ৰই দাবী কৰা মতে, বিজেপি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটলৈ উভতি যাব নীতিশ কুমাৰ৷ বিজেপিয়ে বান্ধি দিয়া চৰ্ত মানি ল'লে নীতিশ কুমাৰক এনডিএ মিত্ৰজোঁটে আকোৱালি ল'ব বুলি খবৰ প্ৰকাশ হৈছে৷ চৰ্তটো হৈছে নীতিশ কুমাৰে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিব লাগিব৷ কেৱল নীতিশ কুমাৰে নহয়, মমতা বেনাৰ্জী, শৰদ পাৱাৰ, অৰবিন্দ কেজৰিৱাল আদি নেতাইয়ো একেই ইংগিত দিছে৷ ইণ্ডিয়া মিত্ৰজোঁট ভংগ হোৱাৰ অন্তৰালত কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰ তথা বিজেপিৰ সফলতা বুলি ধৰি লোৱা হৈছে৷ উল্লেখ্য যে, ইণ্ডিয়া মিত্ৰজোঁট গঠন হোৱাৰ পিছৰে পৰা এই মিত্ৰজোঁটৰ অংশ দলৰ নেতাৰ বিৰুদ্ধে আৰম্ভ হৈছিল ইডি, চিবিআই, চেবি আদিৰ দৰে সংস্থাৰ অভিযান। বহু নেতাৰ কু-কীৰ্তিৰ ফাইল খুলি কাৰাগাৰলৈ প্ৰক্ষেপ কৰাৰ প্ৰস্তুতি চলাইছে মোদী চৰকাৰে। এনে পৰিপ্ৰেক্ষিততে এতিয়া বহু ৰাজনৈতিক দলৰ নেতাই নিজক সুৰক্ষিত কৰাৰ স্বাৰ্থত ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা আঁতৰি বিজেপিৰ সৈতে হাত মিলোৱাৰ যো-জা চলোৱা বুলিও চৰ্চা চলিছে। আম আদমী পাৰ্টী, তৃণমূল কংগ্ৰেছ, আৰ জে ডিৰ দৰে দলে নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতা কৰি বিজেপিক লাভান্বিত কৰিব বিচাৰিছে বুলিও একাংশই দাবী কৰিছে। মন কৰিবলগীয়া হৈছে, ইণ্ডিয়া মিত্ৰজোঁটৰ সদস্য শৰদ পাৱাৰৰ দল এনচিপিৰ কেইবাজনো নেতা এতিয়াও কাৰাগাৰৰ আলহী হৈ আছে। একেদৰে দিল্লীৰ শাসকীয় দল আম আদমী পাৰ্টীৰো কেইবাজনো সাংসদ, মন্ত্ৰী বৰ্তমান বন্দীত্বৰ জীৱন পাৰ কৰি আছে। ইফালে গ্ৰেপ্তাৰৰ আশংকা বৃদ্ধি পাইছে খোদ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰো। পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ দললৈও নামি আহিছে সংশয়। শিক্ষক নিযুক্তি কেলেংকাৰীত এতিয়াও কাৰাবন্দী হৈ আছে তেওঁৰ দলৰ নেতা, বাৰে বাৰে চমন জাৰি কৰা হৈছে ভতিজা অভিষেক বেনাৰ্জীকো। একেদৰে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ বিৰুদ্ধে অব্যাহত আছে ইডিৰ তদন্ত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধাচৰণ কৰাৰ বাবেই এনেসকল নেতাৰ বিৰুদ্ধে চৰকাৰী সংস্থা লগাই ভয়-ভাবুকি প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। আৰু এনে কাৰণতে এই সকল নেতাই এতিয়া ইণ্ডিয়া মিত্ৰজোঁটৰ পৰা ফালৰি কাটি নিজৰ আৰু দলৰ নেতাৰ জীৱন বচাবলৈ বিজেপিৰ শৰণাপন্ন হোৱা বুলি একাংশই চৰ্চা চলাইছে। উল্লেখ্য যে, বিৰোধী ঐক্যৰ প্ৰথমে পৃষ্ঠপোষকতা কৰা ব্যক্তিজনেই আছিল নীতিশ কুমাৰ৷ নীতিশ কুমাৰৰ আহ্বানতে পাটনাত উপস্থিত হৈছিল সকলো নেতা৷ নীতিশ কুমাৰেই প্ৰথমজন বিৰোধী নেতা যিয়ে বিৰোধীক এক কৰিবলৈ প্ৰয়াস কৰিছিল৷ কিন্তু প্ৰথমে ইণ্ডিয়া মিত্ৰতাৰ পৰা ওলাই বিজেপিৰ কাষলৈ যাবলৈ তৎপৰ হৈছে নীতিশ কুমাৰ৷ নীতিশ কুমাৰে ২৯ জানুৱাৰীত বিহাৰত প্ৰৱেশ কৰিবলগীয়া কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত যোগদান নকৰে। নীতিশ কুমাৰে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্পুৰী ঠাকুৰক 'ভাৰত ৰত্ন' প্ৰদান কৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰিছে। ইপিনে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীয়েও ইণ্ডিয়া মিত্ৰতাক মানি নোলোৱাৰ কথা দোহাৰে৷ মমতাই কয় যে মই চিপিআইএমৰ সৈতে মিত্ৰতা কৰিব নোৱাৰো৷ মই ৩৪ বছৰ ধৰি চিপিআইএমৰ বিৰুদ্ধে যুঁজিছো৷ তৃণমূল কংগ্ৰেছে বংগত অকলে যুঁজ দিব। আনহাতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানেও ইণ্ডিয়া মিত্ৰজোঁটক মানি নোলোৱাৰ ঘোষণা কৰে৷ ভগৱন্ত মানে কয় যে ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টি পঞ্জাৱত ক্ষমতাশালী৷ কংগ্ৰেছৰ সৈতে কোনো মিত্ৰতা নহয়। এই জল্পনা-কল্পনাৰ মাজতে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিজেপি নেতা বাসবৰাজ বোম্মাই দাবী কৰে যে ইণ্ডিয়াৰ মিত্ৰশক্তিৰ মাজত অসন্তুষ্টিৰ বাবে বিভক্ত হ'ব। তেওঁ দৃঢ়তাৰে কয় যে মমতা বেনাৰ্জীৰ টিএমচি, শৰদ পাৱাৰৰ এনচিপি আৰু নীতিশ কুমাৰৰ জেডিইউকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সহযোগী দল আঁতৰি গৈছে আৰু এয়া মিত্ৰতাৰ সমাপ্তিৰ ইংগিত। মমতা বেনাৰ্জীয়ে ইতিমধ্যে মিত্ৰজোঁটৰ পৰা প্ৰস্থান কৰিছে আৰু শৰদ পাৱাৰৰ দলেও একে পথ লোৱাৰ সম্ভাৱনা আছে। বিভিন্ন ৰাজ্যৰ কংগ্ৰেছ নেতাই সহযোগী বিৰোধী দলৰ বিৰুদ্ধে কৰি অহা বাক্যবাণে দলসমূহক ওলাই আহিবলৈ বাধ্য কৰা হ'ব বুলি অনুমান কৰা হৈছে। ইয়াৰ দ্বাৰা এটা কথা স্পষ্ট হৈছে যে মাথোঁ ৮ মাহ পূৰ্বে গঠন হোৱা ইণ্ডিয়া মিত্ৰজোঁট কলিতে মৰহি গ'ল৷ ইয়াৰ লগে লগে বিজেপিয়ে ৰাম মন্দিৰৰ ৰাজনীতিৰ পাৰা বৃদ্ধি কৰিছে৷ বিজেপিয়ে ৪০০ আসন লাভৰ শ্ল'গান আওৰাবলৈ আৰম্ভ কৰিছে৷ বিৰোধীয়ে ইণ্ডিয়া মিত্ৰজোঁট কৰি যি শক্তি আহৰণ কৰিছিল আৰু গতি লৈছিল সেই গতি দলসমূহ ওলাই আহিলে 'দুৰ্ঘটনা'ত পতিত হোৱাৰ দৰেই হ'ব৷ দেশত বিৰোধীৰ শক্তি নোহোৱা হৈ পৰিব৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## হিমন্তক মানসিক চিকিৎসালয়ত ভৰ্তি হ'বলৈ পৰামৰ্শ

# ডুপ্লিকেট ৰাহুল, ডুপ্লিকেট হিমন্ত!

**ই-সংবাদ, ২৫ জানুৱাৰীঃ** ভাৰত জোড়ো ন্যায় যাত্ৰাত দেখাজন প্ৰকৃত ৰাহুল গান্ধী নহয়। এইজন ৰাহুল গান্ধীৰ সৈতে মিল থকা অন্য এজন মানুহ। এইজনক ৰাহুল গান্ধী বুলি দেখুৱাই ৰাইজক ফাঁকি দিছে কংগ্ৰেছে। এই দাবী অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰীৰ এই দাবীৰ পাছতে নেটিজেনে হাঁহিৰ খোৰাক পোৱাত বিষয়টোৱে সামাজিক মাধ্যমত ব্যাপক চৰ্চা লাভ কৰিছে। একাংশ লোকে হিমন্ত বিশ্ব শৰ্মাৰো ডুপ্লিকেট বিচাৰি পাইছে। পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ সৈতে হিমন্ত বিশ্ব শৰ্মাৰ মিল দেখিছে নেটিজেনে। এক্সত অজ্ঞাত একাউণ্টৰ পৰা নৱাজ শ্বৰীফক হিমন্ত বিশ্ব শৰ্মাৰ ডুপ্লিকেট বুলি অভিহিত কৰি ফটো শ্বেয়াৰ কৰাও দেখা গৈছে। ১৪ জানুৱাৰীত মণিপুৰত আৰম্ভ ভাৰত জোড়ো ন্যায় যাত্ৰাই ১৮ জানুৱাৰীত অসমত প্ৰৱেশ কৰিছিল। শিৱসাগৰ জিলাৰ সীমান্তৰে অসমত প্ৰৱেশ কৰা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক আক্ৰমণ কৰি সৰৱ হৈছিল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। তীৰ্যক বাক্যবানেৰে আক্ৰমণ কৰাই নহয়, গান্ধীক গুৱাহাটীত প্ৰৱেশ কৰিব নিদিয়াৰ লগতে গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাৰো ধমক দিছিল মুখ্যমন্ত্ৰীয়ে। বৰ্তমান অসমৰ মাজেৰে ন্যায় যাত্ৰা পাৰ হৈ পশ্চিমবংগত প্ৰৱেশ কৰিছে। তাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ডুপ্লিকেট ৰাহুল গান্ধীৰ বিষয়টো উত্থাপন কৰিছে। ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাত বাছৰ ভিতৰত 'ডুপ্লিকেট' ৰাহুল গান্ধী আছিল। এই হাস্যস্পদ অভিযোগ উত্থাপন কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাষ্ট্ৰীয় সংবাদমাধ্যমত প্ৰকাশ পোৱা এটা বাতৰিৰ আলম লৈ কংগ্ৰেছক আক্ৰমণ কৰি মুখ্যমন্ত্ৰীয়ে দাবী কৰা মতে, ন্যায় যাত্ৰাত দেখি থকাজন প্ৰকৃত ৰাহুল গান্ধী নহয়। সেইজন ডুপ্লিকেটহে। ডুপ্লিকেট জনকে গাড়ীৰ সন্মুখত বহুৱাই ৰাখিছিল আৰু সেইজনকে দেখা গৈছিল। হিমন্ত বিশ্ব শৰ্মাৰ এই দাবীৰ পিছতে অট্টহাস্য কৰিছে কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে। কংগ্ৰেছে নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় 'শীঘ্ৰে চিকিৎসকক দেখুৱাওক। যাত্ৰাৰ পাৰ্শ্বক্ৰিয়া ভাল দেখা নাই। ন্যায় যাত্ৰা বৃহৎ সফল হ'ল।' আনহাতে, কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি তেওঁক শীঘ্ৰে স্বাস্থ্য পৰীক্ষা কৰাবলৈ পৰামৰ্শ দিছে। আনহাতে, কৰ্ণাটক কংগ্ৰেছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গুৱাহাটীৰ পৰা বাংগালুৰুলৈ যাবৰ বাবে বিমানৰ টিকট প্ৰেৰণ কৰিব বুলি ইতিকিং কৰে। কৰ্ণাটক কংগ্ৰেছে চিকিৎসাৰ বাবে বিশ্ববিখ্যাত মানসিক চিকিৎসালয় নেশ্যনেল ইনষ্টিটিউট অব্ মেণ্টেল হেলথ এণ্ড চায়েন্সত এখন বিচনা সংৰক্ষণ কৰি ৰাখিছে বুলিও কয়। মুখ্যমন্ত্ৰীৰ স্বাস্থ্যৰ বাবে আমিও চিন্তিত বুলিও কয় কংগ্ৰেছে। উল্লেখ্য যে, ৰাকেশ কুশ্বৰাহা নামৰ এজন যুৱকক ৰাহুল গান্ধীৰ সৈতে প্ৰায়ে দেখা যায়। ৰাকেশ কুশ্বৰাহা দেখাত ৰাহুল গান্ধীৰ দৰেই। ভাৰত জোড়ো যাত্ৰা আৰু ন্যায় যাত্ৰাত ৰাকেশ কুশ্বৰাহাই ৰাহুল গান্ধীৰ লগতে আছিল। সময়ে সময়ে বাছৰ ভিতৰত ৰাকেশ কুশ্বৰাহাকো দেখা গৈছিল। ইফালে মুখ্যমন্ত্ৰীক বহু নেটিজেনে প্ৰশ্ন কৰি কয় যে হাঁড় কপোৱা জাৰত ৰাহুল গান্ধীয়ে হাফ টি-শ্বাৰ্টেৰে ঘূৰি ফুৰা ৰাহুল গান্ধীয়ে বাছৰ ভিতৰত যাত্ৰা কৰিব নোৱাৰা বুলি হিমন্ত বিশ্ব শৰ্মাই ভবাটো হাস্যকৰ।




■ কৰ্ণাটকৰ মানসিক চিকিৎসালয় ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু বিজ্ঞান প্ৰতিষ্ঠানত চিকিৎসাৰ বাবে কৰ্ণাটক কংগ্ৰেছৰ বিমানৰ টিকট হিমন্ত বিশ্ব শৰ্মাক

## শৰাই-চেলেঙেৰে আদৰণি, মুখ্যমন্ত্ৰীক জনালে ধন্যবাদ

# মুখ্যমন্ত্ৰীক সাক্ষাৎ ভংগ হোৱা আলফা নেতৃত্বৰ

**ই-সংবাদ, ২৫ জানুৱাৰীঃ** আলফাৰ আলোচনাপন্থী গোটটোক ভংগ কৰাৰ দুদিন পাছতে আজি দিছপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে ভংগ কৰা গোটটোৰ নেতৃত্বই৷ মুখ্যমন্ত্ৰীক জনতা ভৱনত সাক্ষাৎ কৰি শৰাই আৰু চেলেঙেৰে আদৰণি জনাই আলফা নেতৃত্বই৷ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আলফা নেতৃত্ব আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়৷ বৈঠকত চুক্তিৰ বিভিন্ন দফা কেনেদৰে কাৰ্যকৰী কৰা হ'ব সেই কথা আলোচনা কৰা বুলি জানিব পৰা দৈছে৷ মুখ্যমন্ত্ৰীয়ে চুক্তিৰ কেইবাটাও দফা শীঘ্ৰে কাৰ্যকৰি কৰিবলৈ সাজু হোৱা বুলি আলফা নেতৃত্বক অৱগত কৰে৷ আলফাৰে হোৱা চুক্তিক অসমত শান্তি-সম্প্ৰীতিৰ নতুন অৰুণোদয়ৰ দিশত আন এটি আশাৰ বতৰা বুলি অভিহিত কৰে মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ তৎপৰতাত ২৯ ডিচেম্বৰত স্বাক্ষৰিত ঐতিহাসিক চুক্তিৰ পাছত আলফাৰ (আলোচনাপন্থী) নেতৃত্বই তেওঁলোকৰ পূৰ্বৰ বিদ্ৰোহী সংগঠনটো ভংগ কৰিছে আৰু গণতান্ত্ৰিক পথ অৱলম্বনেৰে অসমৰ জনসাধাৰণৰ সেৱা কৰিবলৈ এক নতুন সামাজিক-সাংস্কৃতিক সংস্থা অসম জাতীয় বিকাশ মঞ্চ গঠন  কৰিছে। আজি সংস্থাটোৰ নেতৃবৰ্গই এই সিদ্ধান্তটো আমাক ব্যক্তিগতভাৱে অৱগত কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আৰু কয় যে তেখেতসকলৰ এই নতুন আৰম্ভণিৰ সময়ত আগন্তুক যাত্ৰাৰ বাবে আন্তৰিক শুভকামনা জ্ঞাপন কৰিছো। আমাৰ ৰাজ্যৰ এটা প্ৰজন্মই এই ইতিবাচক পৰিৱৰ্তনটো কেতিয়াও সম্ভৱ নহয় বুলি বুলি ভাবিয়ে ডাঙৰ হ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিও মই অপৰিসীম কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ বিকশিত ভাৰতৰ দৃষ্টিভংগীয়ে বিপথগামী বিভিন্ন গোটক অহিংসাৰ পথ ত্যাগ কৰি শান্তি আৰু প্ৰগতিৰ পথত সহযাত্ৰী হ'বলৈ অনুপ্ৰাণিত কৰিছে।

# মণিপুৰত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বাহালৰ দাবী

## গৃহমন্ত্ৰী অমিত শ্বাহলৈ ১০ কুকি বিধায়কৰ পত্ৰ

**ইম্ফল, ২৫ জানুৱাৰীঃ** মণিপুৰৰ ১০ বিধায়কে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহলৈ এখন পত্ৰ লিখি মণিপুৰত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বাহাল কৰাৰ দাবী উত্থাপন কৰিছে৷ ১০ চিন-কুকি-মিজো-জোমি-হমাৰ বিধায়কে আনুষ্ঠানিকভাৱে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহলৈ পত্ৰ প্ৰদান কৰি সম্পূৰ্ণ উপত্যকাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন পুনৰ বাহাল কৰিবলৈ জোৰ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ লিখা পত্ৰত কুকি বিধায়কসকলে অভিযোগ কৰি কয় যে ২১ জানুৱাৰীত দ্বাদশ মণিপুৰ বিধানসভাৰ বিধায়কসকলে অ-মেইটেই বিধায়কসকলৰ বলপূৰ্বক স্বাক্ষৰ কৰি একপক্ষীয় প্ৰস্তাৱ গ্ৰহণ কৰে৷ প্ৰস্তাৱৰ দ্বাৰা বিভিন্ন গোট আৰু ৰাজ্য চৰকাৰৰ মাজত চলি থকা ৰাজনৈতিক আলোচনা বাতিল কৰিবলৈ আগবাঢ়িছে। এই পক্ষপাতিত্বমূলক সিদ্ধান্ত বিভিন্ন গোটৰ ভাবমূৰ্তি কলুষিত কৰাৰ এক ভয়ানক কৌশল। তদুপৰি পত্ৰখনত মোৰেহৰ কুকি জো সীমান্তৰ চহৰত ৰাজ্যিক কমাণ্ডো বাহিনীৰ সৈতে মেইটেই লোক উপস্থিত থকা বুলি অভিযোগ আনি কুকি বিধায়কসকলে মেইটেক শক্তিশালীকৰণ কৰা বুলি কয়৷ কুকি বিধায়সকসকলে মোৰেহত সংঘটিত হিংসাৰ আঁৰত মেইটেই মিলিছিয়াসকল জড়িত বুলি দাবী কৰে৷ কমাণ্ডো গোটসমূহৰ মাজত সন্দেহযুক্ত মেইটেই মিলিছিয়া লোক থকা বুলিও দাবী উত্থাপন কৰে৷ চুৰাচান্দপুৰ আৰু কাংপোকপি জিলাত নিয়োজিত ৰাজ্যিক বাহিনীৰ পৰা সকলো মেইটেইক প্ৰত্যাহাৰৰ পাছত শান্তি উভতি আহিব বুলি দৃঢ়ভাৱে দাবী কৰে ১০ বিধায়কে৷ বিধায়কসকলে দাবী কৰি কয় যে আজিলৈকে অস্ত্ৰ আৰু হিংসাৰ লুণ্ঠন অব্যাহত আছে৷ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন পুনৰ প্ৰৱৰ্তন কৰি ৰাজ্যিক আৰক্ষী আৰু আইআৰবিৰ পৰা লুণ্ঠন কৰা অস্ত্ৰ উদ্ধাৰত অসম ৰাইফলছ আৰু ভাৰতীয় সেনাক সম্পূৰ্ণ ক্ষমতা প্ৰদান কৰা হওক বুলিও কয়।

# আৰক্ষী-প্ৰশাসনক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে চৰকাৰে

## সংবাদমেলত অভিযোগ কংগ্ৰেছৰ

**ই-সংবাদ, ২৫ জানুৱাৰীঃ** আজি অসম প্ৰদেশ কংগ্ৰেছে সংবাদমেল সম্বোধন কৰি ৰাজ্যৰ শাসকীয় দল বিজেপিয়ে আৰক্ষী-প্ৰশাসনক ৰাজনীতিৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰিছে৷ প্ৰদেশ কংগ্ৰেছৰ সভপতি ভূপেন বৰা, বিৰোধী দলপতি দেবব্ৰত শইকীয়া আৰু ৰকিবুল হুছেইনে সম্বোধন কৰা সংবাদমেলত শিৱসাগৰ জিলাৰ পৰাই প্ৰশাসন যন্ত্ৰক ব্যৱহাৰ কৰি ন্যায় যাত্ৰাক বিফল কৰিব খুজিছিল যদিও চৰকাৰ বিফল হৈছে আৰু চৰকাৰৰ কূটনীতি সকলোৰে চকুত ধৰা পৰি গৈছে বুলি উল্লেখ কৰে নেতাসকলে৷ দেবব্ৰত শইকীয়াই হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি কয় যে চৰকাৰে প্ৰয়াস কৰিলেও অসমৰ ৰাইজে যাত্ৰা সফল কৰিছে৷ যাৰ বাবে অসমৰ ৰাইজক কৃতজ্ঞতা জনাইছে৷ দেবব্ৰত শইকীয়াই কয় যে যাত্ৰা আৰম্ভ হোৱাৰ পূৰ্বেই অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু মুখ্য সচিবক পত্ৰ প্ৰদান সুৰক্ষা দাবী কৰিছিল৷ অসম আৰক্ষীয়ে নিৰ্লজ্জভাবে শিৱসাগৰত যাত্ৰা বিফল কৰিববৈলে লগোৱা হৰ্ডিং পহৰা দিছিল৷ দুই অসম আৰক্ষীৰ বিষয়াই পহৰা দিয়াৰ ব্যৱস্থা কৰিছিল যাতে বিৰোধী পোষ্টাৰ অনিষ্ট নহয় তাৰ বাবে আৰক্ষীয়ে পহৰা দিয়াৰ ব্যৱস্থা কৰিছিল৷ মাজুলী, ধেমাজী, লখিমপুৰত কৰ্মীক আঘাত কৰিছে৷ ধৰ্মীয় শ্ল'গান দি পোষ্টাৰ নষ্ট কৰিছে, জ্বলাই দিছে৷ জয়ৰাম ৰমশেক আক্ৰমণ কৰিববৈলে উদ্যত হৈছিল৷ মহিলা সাংবাদিকৰ কেমেৰা কাঢ়ি নিয়া হৈছে৷ জামুগুৰিহাটত আদৰণি তোৰণ জ্বলাই দিয়া হৈছিল৷ সভাপতি ভূপেন বৰাক কেনেদৰে আক্ৰমণ কৰা হৈছিল সেই সকলো মানুহে দেখিছে৷ কিন্তু ডিজিপি আৰু মুখ্যমন্ত্ৰীৰ টুইট আৰু ৰিপ্লাই টুইট দেখিছো৷ অসম প্ৰশাসনক আমাৰ সভাপতি ভূপেন বৰাই ঘটনাসমূহ বিষয়ে অৱগত কৰিছিল তেতিয়া ডিজিপি জি.পি সিঙে কৈছিল আমি সম্পূৰ্ণ সুৰক্ষা দিছো৷ এই কথা মিছা৷ অসমৰ আৰক্ষী প্ৰশাসনক ৰাজনৈতিক হাঠিয়াৰ হিচাপে ব্যৱহাৰ কৰা হৈছে৷ জিলাখনক প্ৰশাসনক ব্যৱহাৰ কৰা হৈছে৷ ন্যায় যাত্ৰা কৰাটো গণতান্ত্ৰিক অধিকাৰ৷ গোচৰ তৰা হৈছে৷ যোৰহাটত গোচৰ তৰা হৈছে৷ এজন আইজিপিক পথ নিৰীক্ষণ কৰিববৈলে আমাক কোৱা হৈছে৷ উল্লেখ্য যে, ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ছোৱাত যোৰহাটত পথত অৰাজক পৰিস্থিতি সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰি গোচৰ ৰুজু কৰা হৈছে৷ গোচৰৰ ভিত্তিত আজি গৌৰীপুৰ কেম্পত যোৰহাট আৰক্ষী উপস্থিত হয়৷ আৰক্ষীয়ে ন্যায় যাত্ৰাৰ পথ নিৰ্ণয়ৰ দায়িত্বত থকা কে.বি বাইজুক জাননী প্ৰদান কৰে৷ কে.বি বাইজু হৈছে এছ.পি.জিৰ অৱসৰপ্ৰাপ্ত বিষয়া। যোৰহাট চহৰত নিৰ্ধাৰিত পথৰ সলনি আন এটা পথেৰে ন্যায় যাত্ৰা যোৱাৰ ফলত চহৰখনত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ অভিযোগ আনে আৰক্ষীয়ে। ফলত ন্যায় যাত্ৰাৰ মুখ্য আয়োজকৰ বিৰুদ্ধে যোৰহাট আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰিছে। এই গোচৰৰ ভিত্তিত কে.বি বাইজুক গৌৰীপুৰ শিবিৰত জাননী জাৰি কৰি যোৰহাট আৰক্ষীৰ ওচৰত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়ে৷ এনে কাৰ্যক এতিয়া কংগ্ৰেছে কিধৰণে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।




■ বঙাইগাঁৱত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ সমদল, বুধবাৰে

# লোমহৰ্ষক হত্যাকাণ্ডই কঁপাইছে গোলাঘাটৰ বাদুলিপাৰ

## পত্নীৰ দৰেই স্বামীকো ঘৰৰ ভিতৰতে হত্যা

**ই-সংবাদ, খমুটাই, ২৫ জানুৱাৰীঃ** অৰুণাচল চৰকাৰৰ স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ সন্দেহজনক হত্যাকাণ্ডই গোলাঘাট জিলাৰ বাদুলিপাৰত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৮১ বছৰীয়া কোষেশ্বৰ গগৈৰ মৃতদেহ নিজ ঘৰতে উদ্ধাৰ হোৱাত হত্যাৰ সন্দেহ কৰা হৈছে। বাদুলিপাৰৰ বুঢ়াগাঁৱৰ ঘৰত অকলে বসবাস কৰে কোষেশ্বৰ গগৈয়ে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গগৈয়ে অকলে থাকে যদিও বিয়া দিয়া কন্যাই দৈনিক ফোনেৰে খবৰ লৈ থাকে পিতৃৰ। আনদিনাৰ দৰে কালিও কেইবাবাৰো ফোন কৰাত পিতৃয়ে সঁহাৰি দিয়া নাছিল। ওচৰ-চুবুৰীয়াক ফোন কৰাত নিশা প্ৰায় ৮ বজাত ঘৰৰ ড্ৰইংৰুমত তেজেৰে লুতুৰি-পুতুৰি মৃতদেহ উদ্ধাৰ হয়। এখন কাপোৰেৰে গগৈৰ চকু বান্ধি থোৱা আছিল। উল্লেখ্য যে, ছয় মাহ পূৰ্বে পত্নীৰো মৃতদেহ ঘৰৰ এটা কোঠাত মৃত অৱস্থাত উদ্ধাৰ হৈছিল। ডাবল মাৰ্ডাৰৰ আঁৰত কোন আছে সেয়া চিনাক্ত কৰি শাস্তি দিবলৈ দাবী উত্থাপন কৰিছে। আজি ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দণ্ডাধীশৰ উপস্থিতিত মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। গোলাঘাটৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে ঘটনাস্থলীত উপস্থিত হয়। ঘটনাই অঞ্চলটোত উত্তেজনাই বিৰাজ কৰিছে।

# পথ দুৰ্ঘটনাত পতিত কামপুৰৰ যুৱ অভিনেতা দেৱজিৎ গোঁহাইৰ মৃত্যু

**ই-সংবাদ, কামপুৰ, ২৫ জানুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰৰ চাংচকীৰ যুৱ ব্যৱসায়ী, অভিনেতা তথা সমাজসেৱক দেৱজিৎ গোঁহায়ে মৃত্যুক আকোৱালি লোৱাত শোকৰ ছাঁ পৰিছে। ৫ দিন ধৰি মৃত্যুৰে যুঁজ দি দেৱজিৎ গোঁহায়ে ২৪ জানুৱাৰীত শেষ নিশ্বাস ত্যাগ কৰে। ৫২ বছৰ বয়সত মৃত্যু হয় দেৱজিৎ গোঁহাইৰ। শনিবাৰে নগাঁৱৰ দক্ষিণপাটত টেক্টৰ দুৰ্ঘটনাত পতিত হৈছে হৈছিল দেৱজিৎ। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা পথাৰত বাগৰি পৰিছিল এখন মাল ভৰ্তি টেক্টৰ। দুৰ্ঘটনাত থিতাতে নিহত হয় টেক্টৰ চালক ৰকিবুল হুছেইন। সংকটজনক অৱস্থাত দেৱজিৎ গোঁহাইক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছিল। ৫ দিনৰ অন্তত দেৱজিতে মৃত্যুৰ ওচৰত হাৰ মানে। কামপুৰ অঞ্চলৰ বিশিষ্ট যুৱ ব্যৱসায়ী হিচাপে পৰিচিত দেৱজিৎ গোঁহাই এজন অভিনেতা হোৱাৰ লগতে অঞ্চলটোত সমাজসেৱক হিচাপে পৰিচিত আছিল। বানেধোৱা কপিলীৰ দক্ষিণপাৰৰ ৰাইজক প্ৰেমাজানৰ খহনীয়া ৰোধৰ বাবে একক প্ৰচেষ্টাৰে বান্ধ নিৰ্মাণ কৰি অঞ্চলটোৰ ৰাইজক বানৰ পৰা ৰক্ষা কৰিছিল। সৰবৰহী গোঁহাইৰ মৃত্যুত অঞ্চলটোত শোঁকৰ ছাঁ পৰিছে।

# উৰণীয়া সেঁতু, বাইহাটা-বাঙালীপাৰা পথ নিৰ্মাণৰ দাবীত আন্দোলন ঘোষণা

**ই-সংবাদ, ২৫ জানুৱাৰীঃ** গোৰেশ্বৰ চহৰত উৰণীয়া সেঁতু নিৰ্মাণ, বাইহাটা চাৰিআলি-বাঙালীপাৰা পথ মেৰামতিৰ দাবীত আন্দোলন ঘোষণা কৰিছে ডেমক্ৰেটিক যুথ ফেডাৰেচন অফ ইণ্ডিয়া চমুকৈ ডিৱাইএফআয়ে। বিটিআৰৰ গোৰেশ্বৰত ২৮ জানুৱাৰীত আন্দোলন কৰিব ডেমক্ৰেটিক যুথ ফেডাৰেচন অফ ইণ্ডিয়াই। ডিৱাইএফআইৰ গোৰেশ্বৰ সমিতিৰ উদ্যোগত আন্দোলন সাব্যস্ত কৰি বাইহাটা চাৰিআলি-গোৰেশ্বৰ-বাঙালীপাৰা জৰাজীৰ্ণ পথ পুনৰ নিৰ্মাণ, গোৰেশ্বৰ ৩০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয় পূৰ্ণাংগ চিকিৎসালয়লৈ ৰূপান্তৰ, ২৪ ঘণ্টাই ডাক্তৰ-নাৰ্চ-ঔষধ আৰু সকলো প্ৰকাৰৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ দাবী জনাব। গোৰেশ্বৰ ৰে'লগেটত সাব্যস্ত কৰিবলগীয়া প্ৰতিবাদৰ দ্বাৰা গোৰেশ্বৰ ৰে'লগেটত উৰণীয়া সেঁতু নিৰ্মাণ, গোৰেশ্বৰ-তামুলপুৰ পথত পুঠিমাৰী নৈত পকী দলং নিৰ্মাণ, গোৰেশ্বৰ ৰে'ল ষ্টেচনত লাচিত এক্সপ্ৰেছ আৰু কামৰূপ এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰা, মূল্যবৃদ্ধি ৰোধ, গোৰেশ্বৰত বিদ্যুতৰ ব্যাপক লোডশ্বেডিং বন্ধ কৰাৰো দাবী জনাব সংগঠনটোৱে।

# বিটিআৰৰ দুয়োটা লোকসভা সমষ্টিতে প্ৰাৰ্থী দিব বিপিএফেঃ হাগ্ৰামা

## প্ৰমোদ বড়োৱে দিছপুৰৰ কথাত চলে বুলি সমালোচনা

**ই-সংবাদ, ওদালগুৰি, ২৫ জানুৱাৰীঃ** "আগন্তুক লোকসভা সমষ্টিত বিটিচিৰ দুয়োটা লোকসভা সমষ্টি ক্ৰমে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফ দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। কেৱল প্ৰাৰ্থী প্ৰক্ষেপ কৰাই নহয়, দুয়োটা সমষ্টিতে বিপিএফ দল জয়ী হব।" এই মন্তব্য বিপিএফ দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীৰ। আজি ওদালগুৰি জিলা বিপিএফ কাৰ্যালয়ত অনুষ্ঠিত বিপিএফৰ বিভিন্ন বুথ সমিতিসমূহৰ কাৰ্যকৰ্তাৰ মত-বিনিময় সভাত অংশগ্ৰহণ কৰি সাংবাদিকৰ সন্মুখত এই মন্তব্য প্ৰদান কৰে। দলটোৰ শক্তি তথা মনোবল বৃদ্ধিৰ লক্ষ্যৰে মহিলাৰীয়ে সভাত উপস্থিত দলীয় কাৰ্যকৰ্তাসমূহক আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে কেনেদৰে সাজু হব লাগিব সেই সন্দৰ্ভত মন্তব্য কৰে। ইয়াৰ পিছত সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত মহিলাৰীয়ে কয়, "আমি বিপিএফ দলে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টি দুয়োটাতে প্ৰাৰ্থী প্ৰক্ষেপ কৰিম। কোকৰাঝাৰ সমষ্টিত আমাৰ জয় নিশ্চিত, কেৱল নিৰ্বাচনত আনুষ্ঠানিকতাহে বাকী আছে। আনহাতে দৰং-ওদালগুৰি সমষ্টিতো আমি জয়ৰ আন দলবোৰৰ তুলনাত প্ৰথম স্থানত আছো। আমাৰ পাছত দ্বিতীয় আৰু তৃতীয় স্থানত কংগ্ৰেছ আৰু বিজেপি দল আছে। আজি আমি বুথ কৰ্মীসকলক নিৰ্দেশ দিছো যে প্ৰতিটো বুথত আমাৰ দলৰ প্ৰাৰ্থীগৰাকী আগবাঢ়ি থাকিলে আমি লোকসভা সমষ্টিটোত জয়ী হব পাৰিম। দৰং-ওদালগুৰি লোকসভা সমষ্টিটোৰ বিটিআৰ এলেকাত ১১ লাখ ভোটাৰ আছে। ইয়াৰ ভিতৰত পাঁচ লাখ ভোট আমি পাম। আৰু বিটিচিৰ বাহিৰৰ একলাখমান ভোট পালে আমি সমষ্টিটোত এশ শতাংশ জয় নিশ্চিত।" ইফালে আগন্তুক নিৰ্বাচনত বিপিএফ দলৰ লক্ষ্যত কথা উল্লেখ কৰি মহিলাৰীয়ে কয়, "আমাৰ প্ৰথম লক্ষ্য ভূমিপট্টা প্ৰদান কৰা আৰু দ্বিতীয়তে বিটিচি পৰিষদৰ ৪০ টা বিভাগৰ অন্তৰ্গত ওদালগুৰি জিলাত ওলোৱা চাকৰিত কেৱল জিলাখনৰ প্ৰাৰ্থীকহে অগ্ৰাধিকাৰ দিয়া হব।" বিজেপি-ইউপিপিএল মিত্ৰজোঁটে বিপিএফৰ সমীকৰণত কোনো প্ৰভাৱ পেলাব নোৱাৰে বুলি উল্লেখ কৰে। দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফে বিটিআৰ অঞ্চলৰ লোককে প্ৰাৰ্থীত্ব প্ৰদান কৰিব বুলি মত প্ৰকাশ কৰি আগন্তুক মাৰ্চ মাহত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিব বুলি জানিবলৈ দিয়ে। বিটিচি চৰকাৰে চাকৰি দিব নোৱাৰে বুলি কটাক্ষ কৰি চাকৰি দিয়াৰ ক্ষমতা দিছপুৰতহে আছে বুলি মন্তব্য কৰে।

# কামপুৰত দৰিদ্ৰ পৰিয়ালৰ ঘৰত অগ্নিসংযোগ, হত্যাৰ অপচেষ্টা

**ই-সংবাদ, কামপুৰ, ২৫ জানুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰৰ কলাইখোৱাত নিশা এটা বাসগৃহত অগ্নিসংযোগ কৰি হত্যাৰ চেষ্টা চলোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ কোনো দুৰ্বৃত্তই এজন লোকৰ বাসগৃহত অগ্নিসংযোগ কৰাত ঘৰ-দুৱাৰ ভস্মীভূত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে৷ মঙলবাৰে নিশা অজয় বিশ্বাস নামৰ লোকজনৰ পদুলিত এটা মৃত কুকুৰ পেলাই থৈ যোৱাক কেন্দ্ৰ কৰি দুই পক্ষৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। কাজিয়াৰ পাছত অজয় বিশ্বাসে প্ৰাণৰ মমতাত নিজ ঘৰ এৰি আত্মীয়ৰ ঘৰত আশ্ৰয় লয়৷ তেনে সময়তে নিশা কোনো দুৰ্বৃত্তই অজয় বিশ্বাসৰ বাসগৃহত অগ্নিসংযোগ কৰাত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ বাবে আনি থোৱা সামগ্ৰীৰ লগতে বাসগৃহটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অজয় বিশ্বাসে তেওঁৰ সৈতে কাজিয়াত লিপ্ত হোৱা তিনিজন লোকেৰ বিৰুদ্ধে অগ্নিসংযোগ কৰাৰ অভিযোগ উত্থাপন কৰি কামপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। অভিযোগ মতে, অজয় বিশ্বাসৰ পৰিয়ালটোক হত্যাৰ উদ্দেশ্যে ঘৰত অগ্নিসংযোগ কৰিছিল যদিও কোনো লোক নথকাত জীৱন ৰক্ষা পৰে৷

## ১৯৪৭ত দেশৰ শৰীৰ স্বাধীন হৈছিল, এতিয়াহে প্ৰাণ প্ৰতিষ্ঠা হৈছে!

**ই-সংবাদ, ২৫ জানুৱাৰীঃ** ২৪ জানুৱাৰীত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় কেবিনেট অনুষ্ঠিত হয়৷ কেবিনেটত ৰাম মন্দিৰৰ 'প্ৰাণ প্ৰতিষ্ঠ' অনুষ্ঠানক প্ৰশংসা কৰে৷ প্ৰধানমন্ত্ৰী মোদীক দেশৰ মনোবল আৰু ‘সাংস্কৃতিক আত্মবিশ্বাস’ বৃদ্ধি কৰি ‘এক নতুন যুগৰ সূচনা’ কৰাৰ বাবে অভিনন্দন জনায় নৰেন্দ্ৰ মোদীক 'জন নায়ক' বুলি অভিহিত কৰে৷ ৰাম মন্দিৰক অভূতপূৰ্ব বুলি উল্লেখ কৰি অযোধ্যাত প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানক আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় সফলতাৰ দিনলৈ উন্নীত কৰা বুলিও কয় কেবিনেটে। কেবিনেটে আৰু কয় যে ৪৭ চনত স্বাধীনতা লাভ কৰা ৰাষ্ট্ৰৰ শৰীৰে নিজৰ আত্মা বিচাৰি পাইছে৷ কেবিনেটে এক প্ৰস্তাৱত এই কথা উল্লেখ কৰিছে৷

# বোপান্না ফাইনেলত

**মেলবৰ্ণ, ২৫ জানুৱাৰীঃ** চীনৰ ঝাং জিঝেং আৰু চেক-গণৰাজ্যৰ থমাছ মাচাক পৰাস্ত কৰি অষ্ট্ৰেলিয়ান অপেনৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ৰোহন বোপন্না। অষ্ট্ৰেলিয়ান সংগী মেথিউ এবডেনৰ লগত যুটি বান্ধি খেলিছে তেওঁ। আজি অনুষ্ঠিত টুৰ্ণামেণ্টখনৰ ছেমিফাইনেলত ইণ্ডো-আষ্টেলিয়ান যুটিটোৱে জিঝেং আৰু মাচাকক ৬-৩, ৩-৬ আৰু ৭-৬ ছেটত পৰাভূত কৰে। শনিবাৰে ফাইনেলত বোপান্না-এবডেনে ইটালীৰ এন্দ্ৰিয়া ভাৱাছৰী আৰু ছিমনি বলেল্লিৰ মুখামুখি হ'ব। আজি অনুষ্ঠিত আন এখন ছেমিত ইটালীৰ যুটিটোৱে জাৰ্মানীৰ ইয়াৰ্নিক হাফমেন আৰু ডমিনিক কোৰেফাৰক ৬-৩, ৩-৬ আৰু ৭-৬ ত হেৰুৱায়।

# ভাৰতৰ অগ্ৰগতি

**হায়দৰাবাদ, ২৫ জানুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে খেলিব লগীয়া পাঁচখন মেছৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল আজিৰে পৰা আৰম্ভ হৈছে। ইয়াৰ বাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলা মেছখনৰ প্ৰথম দিনাই চালকৰ আসনত বহিছে টিম ইণ্ডিয়া। ইংলেণ্ড প্ৰথম ইনিংছৰ ২৪৬ ৰানৰ প্ৰত্যুত্তৰত ভাৰতীয় দলে ২৩ অভাৰত এটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে ১১৯ ৰান। যশস্বী জয়ছোৱালে ৭৬ আৰু সুভমন গীলে ১৪ ৰান কৰি ক্ৰিজত আছে। টিম ইণ্ডিয়াৰ অধিনায়ক ৰোহিট শৰ্মা কেৱল আউট হয়। হাতত নটা উইকেট থকা অৱস্থাত ভাৰতীয় দল ১২৭ ৰানত পিছ পৰি আছে। ইয়াৰ পূৰ্বে পুৱা টছত জয়ীহৈ ইংলিছ দলটোৱে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ পেচ আৰু স্পিনৰ সমন্বিত আক্ৰমণ তিষ্টিব নোৱাৰি তেওঁলোকে ৬৪.৩ অভাৰতে ইনিংছ সামৰে। দলটোৰ অধিনায়ক বেন ষ্ট'কছে সৰ্বাধিক ৭০ ৰান কৰে। জনী বেয়াৰষ্ট (৩৭) আৰু বেন ডুকেটে (৩৫) কিছু প্ৰতিৰোধ গঢ়ে।



■ ভাৰত ভ্ৰমণৰত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনক ৰাম মন্দিৰৰ মূৰ্তি উপহাৰ প্ৰধানমন্ত্ৰী মোদীৰ

# প্ৰতিবাদকাৰী ছাত্ৰীৰে চুলিয়াচুলি, বিপদত আৰক্ষী

**অনলাইন ফিচাৰ্ছ, ২৫ জানুৱাৰী:** আগে আগে প্ৰতিবাদকাৰী ছাত্ৰী, পিছে পিছে স্কুটীত অহা ২ মহিলা আৰক্ষী। তাৰ পিছতে চুলিত ধৰি বগৰাই ছাত্ৰীগৰাকীক অকথ্য নিৰ্যাতন মহিলা আৰক্ষী দুগৰাকীৰ। তেলেংগানাত শিক্ষাৰ্থীৰ প্ৰতিবাদৰ মাজতে সংঘটিত এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ছাত্ৰীগৰাকীক এনেদৰে অত্যাচাৰ কৰা মহিলা আৰক্ষী দুগৰাকীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰো দাবী জনাইছে নেটিজেনে। জানিব পৰা মতে, শেহতীয়াকৈ ৰাজ্য চৰকাৰে অধ্যাপক জয়সংখৰ তেলেংগানা ৰাজ্যিক কৃষি বিশ্ববিদ্যালয় (পিজেটিএছইউ)ৰ ভূমি উচ্চ ন্যায়ালয়ৰ নতুন চৌহদ নিৰ্মাণৰ বাবে আৱণ্টন কৰাৰ বিৰুদ্ধে বিগত এসপ্তাহ ধৰি প্ৰতিবাদ সাব্যস্ত কৰি আহিছে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। মঙলবাৰেও সাব্যস্ত হোৱা এই প্ৰতিবাদৰ সময়তে প্ৰতিবাদস্থলীত আৰক্ষীৰ দল উপস্থিত হোৱাত একাংশ শিক্ষাৰ্থীয়ে তাৰ পৰা দৌৰি পলায়নৰ চেষ্টা কৰে। আৰু ঠিক তেতিয়াই দৌৰি থকা ছাত্ৰীগৰাকীক পিছফালৰ পৰা চুলিত ধৰি আক্ৰমণ কৰে স্কুটীত উঠি অহা মহিলা আৰক্ষী দুগৰাকীয়ে। বাতৰি অনুসৰি, এই আক্ৰমণৰ বলি হোৱা ছাত্ৰীগৰাকী ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৈতে জড়িত ছাত্ৰ সংগঠন এবিভিপিৰ সদস্য।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান